অসমত আধুনিক শিক্ষাৰ প্ৰসাৰ সম্পৰ্কে আলোচনা কৰা।

বৃটিছসকল অসমত অহাৰ পিছৰ পৰাই আধুনিক শিক্ষা ব্যৱস্থাৰ আৰম্ভণি বুলি ক'ব পাৰি। পূৰ্বতে শিক্ষা অভিজাত শ্ৰেণীৰ মাজতে আবদ্ধ আছিল। বাৰ্টলাৰৰ মতে, অসমত পুৰোহিত তন্ত্ৰ শিক্ষাৰ প্ৰচলন বাধা আছিল। বৃটিছসকলে ইংৰাজী শিক্ষা চৰকাৰী চাকৰিৰ যোগ্যতাৰ মাপ-কাঠি নিৰ্দ্ধাৰণ কৰাত অভিজাত শ্ৰেণীৰ লগতে সাধাৰণ মানুহৰ মাজতো শিক্ষাৰ আগ্ৰহ আৰু প্ৰসাৰ পৰিলক্ষিত হ'বলৈ ধৰে।

অসমত ১৮৩৫ চনত বৃটিছসকলে গুৱাহাটীত 'ইংলিছ চেমিনাৰী' নামৰ স্কুল এখন প্ৰতিষ্ঠা কৰে। মি. চিংগাৰক হেডমাষ্টৰ নিযুক্তি দিয়া হৈছিল। ১৮৪১ চনত শিৱসাগৰত ২য়খন স্কুল স্থাপিত হয়। ইতিমধ্যে ইংৰাজী শিক্ষাই জনপ্ৰিয়তা লাভ কৰাত ১৮৬৪ চনত ডিব্ৰুগড়, ১৮৬৫ চনত নগাঁও আৰু তেজপুৰ, ১৮৬৬ চনত গোৱালপাৰা আৰু শিলচৰতো স্কুল স্থাপন কৰা হয়। ১৮৭৭ চনৰ ভিতৰত অসমত ৮খন চৰকাৰী আৰু ৫খন বেচৰকাৰী স্কুল স্থাপন কৰা হয়।

অসমত আধুনিক শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত খ্ৰীষ্টান মিছনাৰীসকলৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য। সমাজৰ অনুন্নত আৰু অৱহেলিত শ্ৰেণীৰ মাজত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে তেওঁলোকে এক বিশেষ ভূমিকা পালন কৰিছিল। আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলে ১৮৩৬ চনত শদিয়াত এখন স্কুল স্থাপন কৰে। নাথান ব্ৰাউন আৰু অলিভাৰ কাটৰৰ প্ৰচেষ্টাত পিছলৈ আৰু কেবাখনো স্কুল বিভিন্ন ঠাইত প্ৰতিষ্ঠা কৰা হয়। স্ত্ৰী শিক্ষা প্ৰসাৰৰ ওপৰতো মিছনেৰীসকলে যথেষ্ট গুৰুত্ব দিছিল। ১৮৪০ চনত শিৱসাগৰত প্ৰথমখন ছোৱালী স্কুল প্ৰতিষ্ঠা কৰে আমেৰিকান মিছনেৰীসকলে। শিক্ষা প্ৰসাৰত ৱেলছ মিছনেৰী সকলৰ অৱদানো উল্লেখযোগ্য। পাহাৰীয়া জনজাতি আৰু অনুন্নত সমাজত তেওঁলোকে শিক্ষা প্ৰচাৰৰ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছিল।

স্থানীয় স্তৰত আধুনিক শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ পিছত চৰকাৰে ১৮৪৪-৪৫ চনত চৰকাৰী স্কুলসমূহত মাধ্যমিক স্তৰত ইংৰাজীৰ লগতে অসমীয়াতো প্ৰৱৰ্তন কৰে আৰু এই স্কুলসমূহ Anglo-Vernacular পৰ্য্যায়লৈ পৰিবৰ্তিত হয়।

১৯০১ চনত গুৱাহাটীত কটন কলেজ স্থাপনৰ যোগেদি

অসমত কলেজীয়া শিক্ষাৰ আৰম্ভণি ঘটে। পিছলৈ ১৯৩০ চনত যোৰহাট জে বি কলেজ, ১৯৩৫ চনত শিলচৰত জি চি কলেজ আৰু ১৯৪৫ চনত নগাঁওত আৰু দৰঙত উচ্চশিক্ষাৰ কলেজ স্থাপন কৰা হয়। ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰি চৰকাৰে অসমত পূৰ্ণ পৰ্য্যায়ৰ শিক্ষা প্ৰৱৰ্তন কৰে।

বৃটিছ চৰকাৰে কাৰিকৰী শিক্ষা প্ৰৱৰ্তনৰ বাবে যোৰহাট আৰু গোলাঘাটত দুখন কাৰিকৰী বিদ্যালয় স্থাপন কৰে। পিছলৈ নগাঁও, তেজপুৰ আৰু গুৱাহাটীতো এই স্কুলসমূহ খোলা হৈছিল। ১৮৭০ চনত ডিব্ৰুগড়ত এখন মেডিকেল স্কুল স্থাপন কৰা হয়। ১৯১৪ চনত গুৱাহাটীত আইন শিক্ষাৰ বাবে আৰ্ল ল কলেজ স্থাপন কৰা হয়।

অসমত বৃটিছ চৰকাৰে প্ৰৱৰ্তন কৰা আধুনিক পাশ্চাত্য শিক্ষা ব্যৱস্থাই অসমত আধুনিক ধ্যান-ধাৰণাৰ সৃষ্টিৰ লগতে এক মধ্যবিত্ত শ্ৰেণীৰো সৃষ্টি কৰিছিল। পিছলৈ ১৯ শতিকাত হোৱা নৱজাগৰণত এই শিক্ষিত শ্ৰেণীটোৱে উদ্যোক্তাৰ লগতে ধাৰক-বাহকৰ ভূমিকা গ্ৰহণ কৰিছিল।

X